স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

ন ☐ VOL-16 ☐ NO-15 ☐ THURSDAY 19 MARCH 2026 (ডিব্ৰুগড় সংস্কৰণ/DIBRU

## কানৈ মহাবিদ্যালয়ত মিছন ন'লেজ কাৰ্যসূচী

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ১৮ মাৰ্চ ঃ ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূব সম্পদ কেন্দ্ৰ আৰু ইউনেস্ক' এছ'চিয়েচন, গুৱাহাটীৰ উদ্যোগত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ত ১৯ মাৰ্চত অনুষ্ঠিত হ'ব 'মিছন ন'লেজ কাৰ্যসূচী'। সন্ধিয়া ৬ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া অনুষ্ঠানত উপস্থিত থাকিব ইউনেস্ক' এছ'চিয়েচন, গুৱাহাটীৰ সঞ্চালক প্ৰধান ড° অশ্বিনী শৰ্মা। কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰিবলগীয়া অনুষ্ঠানৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীৰ জ্ঞান বিস্তাৰ, শিক্ষাৰ মান উন্নত কৰা আৰু সংস্কৃতি আৰু ঐতিহ্যৰ বিষয়ে সজাগতা বৃদ্ধি কৰিবৰ বাবে এক সাংস্কৃতিক বিনিময় কাৰ্যসূচী অনুষ্ঠিত হ'ব। অনুষ্ঠানটিত বিভিন্ন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সাংস্কৃতিক বিনিময় কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাৰ লগতে ভালেসংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকিব।

শৈক্ষিক
নবহৰ ত
সম্পাদন
ইংৰাজী
আলোচন
শিক্ষা ত
ধেমাজিৰ
বৰাই। অ
কৰ্মচাৰী
নিমন্ত্ৰিত
শতাধিক